As per CBCS Syllabus

# শিক্ষাদান কৌশলৰ বিকাশ


## (Developing Teaching Skill)

গুৱাহাটী বিশ্ববিদ্যালয়

B.A. 6th Semester in Education

Skill Enhancement Course

**Paper Code:Edu-SE-6014**



ড° নিৰঞ্জন ঠেঙাল

ৰুবী দত্ত

UNION

Book publication

## ১.২ কিছুমান গুৰুত্বপূৰ্ণ শিক্ষাদান কৌশল (Some Important Teaching Skills)

বিভিন্নজন শিক্ষাবিদে শিক্ষাদানৰ ভালেমান কৌশলৰ চিনাক্তকৰণ কৰিছে। Allen আৰু Ryan (1969) এ ১৪ টা, B.K Passi (1976) এ ১৯ টা আৰু N.K. Jangira আৰু Ajit Singh (1982) এ ২০ টা শিক্ষাদান কৌশলৰ চিনাক্তকৰণ কৰে। তলত শিক্ষাদানৰ কেইটামান অতি গুৰুত্বপূৰ্ণ আৰু লাগতিয়াল কৌশল সম্পৰ্কে বিশদ আলোচনা আগবঢ়োৱা হ'ল।

### ১.২.১ পাঠ অৱতাৰণা (অৰ্থ আৰু উপকৌশল) Introducing a Lesson (Meaning and Components)

পাঠ অৱতাৰণা মানে হ'ল কোনো এটা পাঠৰ আৰম্ভণি। যিহেতু সততে কোৱা হয় যে আৰম্ভণি ভালেই শেষ ভাল, সেয়েহে পাঠ এটাৰ

আৰম্ভণিৰ ওপৰতে সমগ্ৰ পাঠটোৰ কাৰ্যকাৰিতা নিৰ্ভৰ কৰে। গতিকে পাঠৰ আৰম্ভণিটো শিক্ষকে আকৰ্ষণীয় কৰি তুলিবলৈ যত্ন কৰা উচিত। তাকে কৰিবলৈ হ'লে শিক্ষকে পাঠ অৱতাৰণা কৌশলটো সুন্দৰকৈ আয়ত্ব কৰিব লাগিব। শিক্ষকে পাঠ অৱতাৰণা কৌশলটো তেতিয়াহে ভালদৰে আয়ত্ব কৰিব পাৰিব যেতিয়া এই কৌশলৰ লগত জড়িত উপকৌশলসমূহৰ বিষয়ে ভালদৰে বুজি পাব। তলত পাঠ অৱতাৰণা কৌশলৰ উপকৌশলসমূহৰ বিষয়ে বিতং আলোচনা কৰা হ'ল।

**ক) প্ৰাৰম্ভিক মনোযোগ আকৰ্ষণ** (Preliminary Attention Gaining)

শিক্ষকে শ্ৰেণীকক্ষত প্ৰৱেশ কৰিয়েই ছাত্ৰ ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ চেষ্টা কৰাকে প্ৰাৰম্ভিক মনোযোগ আকৰ্ষণ বুলি কোৱা হয়। ইয়াৰ বাবে শিক্ষকে হাঁহি মুখেৰে শিক্ষাৰ্থীক অভিনন্দন জনাই শ্ৰেণীত প্ৰৱেশ কৰিব লাগে। শিক্ষকৰ পোছাক-পৰিচ্ছদ মাৰ্জিত আৰু পৰিপাটী হ'ব লাগে। শ্ৰেণীকক্ষৰ চাৰিওদিশে নিৰৱে লক্ষ্য কৰি ছাত্ৰ-ছাত্ৰীসকলক প্ৰস্তুত হ'বলৈ কিছু সময় দিব লাগে। তাৰ পিছত শিক্ষকে পাঠৰ লগত সংগতি থকা কোনো ৰসিক কথা কোৱা বা আবৃত্তি কৰা আদি কৰিব পাৰে। কোনো কৌতুহল জগোৱা প্ৰশ্ন বা প্ৰসংগৰ অৱতাৰণা কৰিব পাৰে। বিষয়বস্তুৰ লগত সংগতি থকা কোনো সঁজুলি বা বস্তুও দেখুৱাব পাৰে। নতুবা পাঠৰ লগত সংগতি থকা কোনো উপকথাও ক'ব পাৰে।

**খ) প্ৰাসংগিক পূৰ্বজ্ঞানৰ ব্যৱহাৰ** (Use of Relevant Previous Knowledge)

পাঠ অৱতাৰণাৰ অন্যতম প্ৰয়োজনীয় উপকৌশল হ'ল প্ৰাসংগিক পূৰ্বজ্ঞানৰ ব্যৱহাৰ। ইয়াত শিক্ষকে অৱতাৰণা কৰিবলৈ যোৱা পাঠটোৰ সম্পৰ্কে শিক্ষাৰ্থীসকলে আগতীয়াকৈ কিবা জানেনে তাক পৰীক্ষা কৰিবলৈ কিছুমান সঠিক প্ৰশ্নৰ সহায় ল'ব পাৰে। উদাহৰণস্বৰূপে- যদি পাঠটো 'মহাত্মা গান্ধী' হয় তেন্তে শিক্ষকে সুধিব পাৰে— 'আমাৰ দেশৰ দুজনমান মহান ব্যক্তিৰ নাম ক'ব পাৰিবানে?' শিক্ষাৰ্থীয়ে উত্তৰ দিব পাৰিলে পুনৰ

সুধিব পাৰে— 'এই সকল ব্যক্তিকনো কিয় মহান বুলি কোৱা হয়?' অথবা শিক্ষাৰ্থীক প্ৰশ্ন নুসুধি শিক্ষকে নিজেও পাঠটোৰ লগত সম্পৰ্ক থকা কিছু প্ৰাসংগিক আগকথা উল্লেখ কৰিব পাৰে। এই উপকৌশলে শিক্ষাদানৰ 'জনাৰ পৰা নজনালৈ গতি কৰা' বিধিক অনুসৰণ কৰে।

**গ) যথোপযুক্ত আহিলাৰ ব্যৱহাৰ** (Use of Appropriate Device)

এইটো পাঠ অৱতাৰণা কৌশলৰ অতি গুৰুত্বপূৰ্ণ উপকৌশল। যথোপযুক্ত সঁজুলিৰ ব্যৱহাৰে পাঠ অৱতাৰণা অতি ৰুচিপূৰ্ণ, ৰসাল, আকৰ্ষণীয় আৰু আনন্দদায়ক কৰি তুলিব পাৰে। এই সঁজুলিয়ে কিবা বস্তু, ছবি নাইবা আহিলাকো বুজাব পাৰে নাইবা শিক্ষকে কথাৰে উপস্থাপন কৰা, তুলনা কৰা, উদাহৰণ দিয়া আদিকো বুজাব পাৰে। মন কৰিব লগা কথা হ'ল যে শিক্ষকে সঁজুলি বাছনি কৰোতে অতি সাৱধান হোৱা উচিত যাতে উপস্থাপন কৰিবলগীয়া বিষয়বস্তুটোক ই সঠিক ৰূপত প্ৰতিনিধিত্ব কৰিব পাৰে।

**ঘ) শিক্ষণীয় বিষয়বস্তুৰ লগত সু-সম্পৰ্ক স্থাপন** (Explicit Link with Content)

শিক্ষাৰ্থীসকলে যিহেতু নাজানে যে শিক্ষকজনে কোনটো পাঠ আৰম্ভ কৰিবলৈ গৈছে, সেয়ে পাঠৰ বিষয়বস্তুৰ লগত এটা সুস্পষ্ট সম্পৰ্ক স্থাপন কৰিবলৈ চেষ্টা কৰিব লাগে। ইয়াত শিক্ষাৰ্থী সকলে শিক্ষণীয় বিষয়বস্তুটোৰ বিষয়ে আগতীয়াকৈ কি জানে আৰু আচল পাঠটোৰে কিহৰ বিষয়ে বৰ্ণনা কৰিছে তাৰ মাজত থকা ব্যৱধান বা ফাঁক যিমান পাৰি নাইকিয়া কৰিবলৈ চেষ্টা কৰিব লাগে।

**ঙ) ফলপ্ৰসূতা** (Effectiveness)

শিক্ষাৰ্থীসকলে কোনো এটা পাঠ কিমান ভালদৰে আয়ত্ব কৰিব পাৰিব সেইটো বহু পৰিমাণে পাঠ অৱতাৰণাৰ ফলপ্ৰসূতাৰ ওপৰত নিৰ্ভৰ কৰে। ফলপ্ৰসূ পাঠ অৱতাৰণাই শিক্ষাৰ্থীক পাঠটোৰ প্ৰতি কৌতুহলী কৰি তোলাৰ লগতে পাঠটো আয়ত্বকৰণৰ বাবে সাজু কৰি তোলে। সেয়েহে